# Book Review

## "মোৰ এটা সপোন আছে"

লেখক : ড° ৰুবুল মাউত

প্ৰকাৰ : আত্মজীৱনী

প্ৰকাশক : পূৰ্বায়ন প্ৰকাশন

প্ৰথম প্ৰকাশ : অক্টোবৰ, ২০১৭

লেখকৰ পৰিচয় :- ড° ৰুবুল মাউত হৈছে এগৰাকী অসমীয়া জীৱবিজ্ঞানী। তেখেতৰ গৱেষণাৰ বিষয় হৈছে মানৱীয় দেহৰ কোষবোৰ ৰোগ নিৰ্মূলকৰণৰ বাবে নতুন প্ৰটিনৰ সৃষ্টি কৰা, উক্ত প্ৰটিন সমাৱেশ প্ৰস্তুত কৰি সেইবোৰক কোষ সংকেতৰে সমৃদ্ধ কৰা আৰু জৈৱ-অণুবিজ্ঞানৰ দৰে ক্ষেত্ৰত প্ৰয়োগ কৰা। বৰ্তমান তেওঁ ৱাশিংটন বিশ্ববিদ্যালয়ৰ স্কুল অব মেডিচিনত গৱেষণাৰত গৱেষক বিজ্ঞানী হিচাপে কৰ্মৰত।

গ্ৰন্থখনৰ সংক্ষিপ্ত বিৱৰণ :- ড° ৰুবুল মাউতৰ দ্বাৰা ৰচিত "মোৰ এটা সপোন আছে" কিতাপখন আধুনিক অসমীয়া সাহিত্যৰ এক অনুপ্ৰেৰণামূলক, জ্ঞান সম্পৰ্কীয় আৰু বাস্তৱজড়িত আত্মজীৱনীমূলক গ্ৰন্থ।

জীৱনত কঠিন পৰিস্থিতিৰ মাজতো লক্ষ্যপূৰণৰ আগ্ৰহ, অধ্যৱসায় আৰু নিজৰ প্ৰতি বিশ্বাস কিমান প্ৰয়োজনীয় সেই বিষয়ে কিতাপখনত অতি সুন্দৰভাৱে বৰ্ণনা কৰিছে।

"মোৰ এটা সপোন আছে" আত্মজীৱনীমূলক গ্ৰন্থখন মূলত চাৰিটা খণ্ডত বিভক্ত। গ্ৰন্থখনৰ প্ৰথমটো খণ্ডৰ শিৰোনাম হৈছে - 'শৈশৱ'। এই খণ্ডত লেখকে শৈশৱত সন্মুখীন হোৱা বিভিন্ন সংঘাতৰ বিষয়ে লিখিছে। পঢ়া টেবুলখনৰ বৰ্ণনাৰে লেখকৰ শৈশৱৰ কথা আৰম্ভ হৈছে। এইটো অধ্যায়ত প্ৰাথমিক স্কুলৰ পৰা মেট্ৰিক পাছ কৰালৈকে বৰ্ণনা সন্নিৱিষ্ট হৈছে।

দ্বিতীয়টো অধ্যায় 'সংগ্ৰামত' লেখকৰ উচ্চতৰ মাধ্যমিকৰ শিক্ষা গ্ৰহণৰ পৰা আৰম্ভ কৰি টাটা মৌলিক গৱেষণা প্ৰতিষ্ঠানত বিজ্ঞানী হিচাপে যোগদান হোৱালৈকে সময়ছোৱাক সামৰি লৈছে। তৃতীয় অধ্যায় 'সুযোগত' লেখকে টাটাৰ প্ৰতিষ্ঠানটিত বিজ্ঞানী হিচাপে অৰ্জন কৰা অভিজ্ঞতাসমূহৰ বিষয়ে বৰ্ণনা কৰিছে। এই অধ্যায়ত তেওঁ লিখিছে যে, কেনেকৈ এজন খালী ভৰিৰে খোজ কাঢ়ি ফুৰা লৰাই আমেৰিকাৰ দৰে দেশত গৱেষণা কৰাৰ বাবে মন মেলিছিল। TRF ত কাম-

কৰি থকা সময়ত ড° জাকৰী নামৰ মানুহ এজনৰ আন্নিৰ্ব্যত তেওঁ আমেৰিকালৈ যোৱাৰ প্ৰথম সুযোগ পাইছিল। (এইখিনিতে এটা কথা কওঁ যে তেখেতে কেতিয়াবা সুৰুজ বেচি টিউচনৰ ফিচ দিব লগা হৈছিল)। চতুৰ্থ অধ্যায়ত "দেউতাৰ অসুখ"ত লেখক ড° মাউতে আমেৰিকাত মাচাচুচেটচ বিশ্ববিদ্যালয়ত গৱেষণা কৰি থাকোঁতে দেউতাকৰ দুৰাৰোগ্য ৰোগৰ খবৰ পোৱা আৰু সেই খবৰে তেওঁৰ মনোজগতত সৃষ্টি কৰা নানান চিন্তা-দুশ্চিন্তাৰ বিষয়ে লিখিছে। লগতে বাৰে বাৰে বতাহে উৰুৱাই নিয়া ঘৰটোক তেওঁ কিদৰে এটা সুন্দৰ ঘৰলৈ ৰূপান্তৰ কৰিছিল সেই বিষয়েও লিখিছে।

এই গ্ৰন্থখনত লিখকে এটা কথা বাৰে বাৰে দোহৰাইছে আৰু সেইটো হৈছে ভাগ্যৰ কথা। তেওঁ কৈছে যে কৰ্মৰ দ্বাৰা ভাগ্যক সৃষ্টি কৰিব পাৰি কিন্তু ভাগ্যক আমি কোনোদিনে দূৰ কৰিব নোৱাৰি।

ড° কবুল মাউতৰ কিতাপ "মোৰ এটা সপোন আছে" গ্ৰন্থখনৰ পৰা মই এটা কথা শিকিব পাৰিছো যে যদি আমি সপোন দেখো-

তেন্তে আমি সেই সপোন নিশ্চয় পূৰণ কৰিব পাৰিম। ড° কবুল মাউতে যেনেদৰে দৰিদ্ৰতাৰ সীমাৰেখা নেওচি জীৱনত সফল হ'ব পাৰিছে, তেনেদৰে আমিও যদি একাগ্ৰতা আৰু পৰিশ্ৰম সহকাৰে অধ্যয়ন কৰো বা কাম তেন্তে আমিও নিশ্চয় আমাৰ সপোন পূৰণ কৰিব পাৰিম।

নমিতা বৰ্মন।
তৃতীয় ষাণ্মাসিক।